# জতুৱাৰ জঁট

**পাঠ: ৭**

**-গগণ চন্দ্ৰ অধিকাৰী**

## ক – পাঠভিত্তিক ক্ৰিয়া

**প্ৰশ্নোত্তৰ -১ , ২। প্ৰশ্নমতে যতি , বিৰামলৈ লক্ষ্য ৰাখি কবিতাটি শুদ্ধ উচ্চাৰণেৰে পঢ়া আৰু আবৃত্তি কৰা ।**

**প্ৰশ্ন ৩। কোৱা আৰু লিখা**

**( ক ) কবিতাটোৰ মতে আকাশত চাং কোনে পাতে ?**

উত্তৰঃ আকাশত চাং পাতে নপতা ফুকনে ।

**( খ ) অহুকাণে – পহুকাণে মানে কি ?**

উত্তৰঃ অহুকাণে – পন্থকাণে মানে হ’ল আৰ তাৰ পৰা ঘুনুক – ঘানাককৈ ।

**( গ ) মিটমিট আন্ধাৰত কি দেখে ?**

উত্তৰঃ ঘিটমিট আন্ধাৰত ভূত দেখে ।

**( ঘ ) কোনবােৰ লােকে বৰ ভয় খায় ?**

উত্তৰঃ অলপ – ধতুৱাবোৰে বৰ ভয় খায় ।

**( ক ) কবিয়ে কাক বুধিত টোকোনা বুলি কৈছে ?**

উত্তৰঃ ফকৰা – যােজনা নজনা , নিশিকা লােকবিলাক বুধিত টোকোনা বুলি কবিয়ে  কৈছে ।

**প্ৰশ্ন ৪। পাঠৰ আলমত চমুকৈ লিখা ।**

**( ক ) মৈত উঠিলে সহজে কাক নমাব নোৱাৰি ?**

উত্তৰঃ অঁকৰা মৈত উঠিলে সহজে নমাব নোৱাৰি । কাৰণ অকৰাই কাৰো কথা শুনিব বা মানিব নোখোজে । নিজৰ কথাত লাগি থাকে আৰু নিজৰ ইচ্ছামতে চলিব খোজে । তেনে লোক মৈত উঠিলে নিজে ইচ্ছা কৰি নামি নাহিলে আনে টানি – ধুহি নমাই আনিব খুজিলেও সহজে সি নামি নাহে ।

**( খ ) আঁঠুৱাৰ তলৰ মহৰ কি অৱস্থা হয় ?**

উত্তৰঃ আঁঠুৱাৰ তলৰ মহ কম ঠাইত আৱদ্ধ হয় আৰু তাৰ পৰা ওলাই আহিব খুজিলেও ওলাই আহিব নোৱাৰে । তাৰ এই দুৰৱস্থাৰ কথা নাভাবি আঁঠুৱাৰ ভিতৰত থকা মানুহক সি কামুৰিবলৈ বিচাৰে আৰু অনবৰতে কাণৰ কাষত উৰি থাকি কুনুকুনাই থাকে । ফলত মানুহৰ হাতত সি সহজতে মৃত্যুৰ মুখত পৰে ।

**( গ ) ফকৰা – যোজনা নাজানিলে বা নিশিকিলে কি হয় ?**

উত্তৰঃ ফকৰা – যোজনা হ'ল ভাষাৰ অলংকাৰ । ইয়াক প্ৰয়োগ কৰিলে ভাষা সুন্দৰ , ৰসাল , গাম্ভীৰ্যপূৰ্ণ হয় । গতিকে ইয়াক নাজানিলে বা নিশিকিলে সি টোকোনা হয় । অৰ্থাৎ সি কম বুদ্ধিৰ হয় ।

***খ— ভাষা অধ্যয়ন ( ব্যৱহাৰিক ব্যাকৰণ)***

**প্ৰশ্ন ৫। পাঠত বিচাৰি তলৰ শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা ।**

**পোহৰ , অসাধ্য , নিৰ্লোভ , জটিল , বেছি , মিছা ।**

উত্তৰঃ বিপৰীত অৰ্থ বুজোৱা শব্দ—

| | |
|---|---|
| পোহৰ | এন্ধাৰ । |
| অসাধ্য | সাধ্য । |
| নিৰ্লোভ | লোভ । |

| | |
|---|---|
| জটিল | সহজ, সৰল । |
| বেছি | কম । |
| মিছ | সঁচা । |

**প্ৰশ্ন ৬। পাঠত তোমালোকে ‘ হুৰা- দুৱা লাগে , বৰষুণ সৰে , চাং পাতে , কথা শুনে’ আদি জতুৱা ঠাচৰ ক্ৰিয়াবোৰ পাইছা । ইয়াৰ আলমত তলৰ শব্দবোৰৰ লগত খাপখোৱা শুদ্ধ ক্ৰিয়াপদটো চিনাক্ত কৰি খালী ঠাই পূৰ কৰা ।**

উত্তৰঃ

| | |
|---|---|
| কলম ( ধৰে / লয় ) | কলম ধৰে । |
| চেপা ( মাৰে / পাতে ) | চেপা পাতে । |
| চেঁকী ( বান্ধ / দিয়ে ) | চেঁকী দিয়ে । |
| পাচি ( গঢ়ে / সাজে ) | পাচি সাজে । |
| খেল ( কৰে / খেলে ) | খেল খেলে । |
| মৰম ( লাগে / ধৰে ) | মৰম লাগে । |

**প্ৰশ্ন ৭। ‘জতুৱাৰ জট’ কবিতাটোৰ পৰা পাঁচটা জতুৱা ঠাঁচ উলিয়াই একোটাকৈ বাক্য সাজা ।**

উত্তৰঃ **আকাশত চাং পতা :-** আকাশত চাং পতা কথা কৈ ফুৰা মানুহক কোনেও বিশ্বাস নকৰে ।

**অহু কাণে – পহু কাণে :-** পুতেকৰ কু – স্বভাৱৰ কথা দেউতাকে অহুকাণে পহুকাণে শুনি বৰ দুখ পালে ।

**আলাসৰ লাড় :-**  ঘৰখনৰ একেজনী ছাোৱালী কাৰণে তাই সকলাোৰে আলাসৰ লাভু হৈ পৰিছে ।

**আটোম-টোকাৰি :-** সু – গৃহিণীয়ে একোখন ঘৰ বৰ আটোম টোকাৰিকৈ সজাই – পৰাই ৰাখে ।

**গাই বাই চা :-** নিজৰ দোষ ক্ষমা কৰিবলৈ সমাজৰ মানুহৰ ওচৰত গাই বাই চা ।

**প্ৰশ্ন ৮। এটা শব্দত প্ৰকাশ কৰা –**

উত্তৰঃ আনৰ ভাল দেখিব নাোৱাৰা – পৰশ্ৰীকাতৰ ।

ঘুনুক – ঘানাককৈ যি কথা শুনা যায় – অহুকাণে – পনহুকাণে , কাণ বাগৰা ।

যি নিয়মমতে খৰচ কৰে – মিতব্যয়ী ।

**প্ৰশ্ন ৯। জতুৱা ঠাচৰ অৰ্থ জানাে আহা –**

উত্তৰঃ

| **জতুৱা ঠাঁচ** | **অৰ্থ** |
|---|---|
| ১. কুন্দত কটা | ধুনীয়া , নিপাোটল । |
| ২. খাোলাকটিৰ তাল | কোনাে কামত নহা । |
| ৩. চুঙা বাদুলি | সংসাৰৰ বিষয়ে একো নজনা লাোক , অনভিজ্ঞ । |
| ৪. কথা চহকী | বেছিকৈ কথা কোৱা । |
| ৫. বুকুৰ কুটুম | অতি আপাোনজন নিজৰ ঘৰ এৰি কলৈকো নোযোৱা । |
| **৬**. বগলী ভকত | ভণ্ড । |

## *গ জ্ঞান সম্প্ৰসাৰণ । প্ৰশ্নোত্তৰ*

**প্ৰশ্ন১০। কথাােপকথনখিনি পঢ়িতাত থকা জতুৱা ঠাচসমূহৰ এনেদৰেঅৰ্থবাােৰ জ্যানি লাােৱা ।**

উত্তৰঃ

| | |
|---|---|
| কান – সমনীয়া | সমবয়সীয়া । |
| হাত – দীঘল | ক্ষমতাশালী । |
| হাত-সাৰ | মুক্ত হাােৱা । |
| হাত – লৰ | চোৰ । |
| হাড়ে – ছলে লগা | লেৰেলা, ক্ষীণ । |
| চকু – মুদা | মৃত্যু হাােৱা । |
| নাম – জ্বলা | বিখ্যাত । |
| হাত-টান | কৃপণ । |
| হাত – ধাে | আশা এৰ । |
| হাড়ক মাটি কৰ | কঠিন শ্ৰম কৰা । |

**প্ৰশ্ন১১। তৰা-নৰা ছিঙিি , আলৈ – আথানি , বাট ল'লে , আলাসৰ লাড়ু , এই জতুৱা ঠাচকেইটা ব্যৱহাৰ কৰিৰ এটা দফা প্ৰস্তুত কৰা ।**

উত্তৰঃ শেৱালী মাক – দেউতাকৰ একমাত্ৰ সন্তান কাৰণে তাই মাক – দেউতাকৰ বৰ আলাসৰ লাড় আছিল । এদিন তাই মাােমায়েকৰ ঘৰলৈ বুলি খাােজ কাঢ়ি অকলে বাট

ল’লে । এনেতে কুকুৰপ এটাই ভুকি তাইলৈ খেদি অহাত ভয়তে তাই তৰা – নৰা ছিঙি ঘৰলৈ দৌৰি আহোঁতে বৰ আলাই – আথানি হ’ল ।

**প্ৰশ্ন ১২। তলৰ যাোজনা দুফাকি অৰ্থ বুজাই লিখা –**

**( ক ) আপদৰ মাত , অকালৰ ভাত**

উত্তৰঃ আকাল অৰ্থাৎ দুৰ্ভিক্ষৰ সময়ত এমুঠি ভাত এজন মানুহৰ প্ৰাণ ৰক্ষাত সহায় কৰে ; ভাত মুঠি খাই তেওঁ প্ৰাণ পাোৱা যেন পায় । আকালত সেই ভাত মুঠিয়েই তেওঁৰ মহান উপকাৰ সাধন কৰে ।

আপদত পৰা মানুহক সহানুভূতিৰে দিয়া আনৰ মাত এষাৰেই তেওঁৰ কাৰণে ডাঙৰ সহায় , মনাোবলৰ ডাঙৰ প্ৰেৰণা । আপদত ধৈৰ্য ধৰি আপদৰ মুখামুখি হ’বলৈ সেই মাতষাৰেই তেওঁক সাহস দিয়ে ।

**( খ ) কথাতে বঁটা পায় , কথাতে কটা যায় ।**

উত্তৰঃ মানুহে কথা ক’ব জানিলে মানুহৰ পৰা প্ৰশংসা আনকি বঁটা বাহনাো পায় । সৎ আৰু সুন্দৰ কথা ক’ব জনা মানুহে সমাজত আদৰ – সন্মান পায় । কিন্তু কথা ক’ব নাজানিলে , ক’ব নলগীয়া কথা য’তে – ত’তে ক’লে মানুহে কওঁতাজনক বেয়া পায় , আনকি তেনে কিছুমান কথাৰ কাৰণে তেওঁ ৰাইজ , সমাজৰ পৰা গৰিহণা পাোৱাৰ উপৰি মৃত্যুৰ মুখত পৰাৰ দৰে পৰিস্থিতিৰাো অৱস্থা হয় ।

গতিকে কথা কওঁতে সদায় উচিত সময়ত , উচিত ঠাইত , উচিত ব্যক্তিক ভাবি চিন্তি ক’ব লাগে ।

## ঘ – প্ৰকল্প

**প্ৰশ্ন ১৩ ৰ সম্পৰ্কতঃ প্ৰশ্নত কোৱা মতে কথাৰ ঠাচ বা শৈলী সংগ্ৰহ কৰি পঢ়ি শুনাবলৈ আৰু অৰ্থ বুজাই ক’বলৈ যত্ন কৰা । প্ৰয়াোজনত শিক্ষকৰ পৰা সহায় ল’বা ।**